# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-OCT-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

সমগ্ৰ ৰাজ্যতে আজি পৰম্পৰাগত ৰীতি-নীতিৰে কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উদযাপন কৰা হৈছে। অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ অকাল বিয়োগে সৃষ্টি কৰা শূন্যতাৰ মাজতে এইবাৰ ৰাজ্যৰ অধিকাংশ লোকেই মাটিৰ চাকিৰে দীপান্বিতা পালন কৰি প্ৰিয় শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাইছে। মৃৎ শিল্পীসকলে প্ৰস্তুত কৰা চাকি আৰু বিভিন্ন ৰঙীন বিজুলীবাতিৰে ৰাজ্যৰ চহৰ, নগৰৰ বাসগৃহসমূহ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ পোহৰাই তোলা হৈছে। ইয়াৰ উপৰি বাসগৃহ আৰু প্ৰতিষ্ঠানসমূহৰ সন্মুখত কলগছ ৰোপন কৰি মাটিৰ চাকিৰে পোহৰাই তোলা হৈছে। গুৱাহাটী মহানগৰীতো পৰম্পৰাগত ৰীতি-নীতিৰে কালিপূজা আৰু দিপাৱলী পালন কৰা হৈছে। মহানগৰখনৰ ভালেমান লোকৰ বাসগৃহৰ সন্মুখ আৰু দোকান পোহাৰৰ সন্মুখত শাৰী শাৰী কলগছ ৰোপণ কৰি বন্তিৰে চৌপাশ উজ্বলাই তোলা হৈছে। বিভিন্ন ঠাইত থকা কালী মন্দিৰসমূহৰ লগতে আন কেতবোৰ ঠাইত কালী পূজাৰ আয়োজন কৰা হৈছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালী পূজা আৰু পোহৰৰ উৎসৱ দীপাৱলী উপলক্ষে ৰাজ্যৰ জনসাধাৰণৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে পৰিৱেশৰ প্ৰতি লক্ষ্য ৰাখি দায়বদ্ধ মানসিকতাৰে উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনাইছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত তেওঁ কয় যে কালী পূজাই মানুহৰ মনৰ পৰা ভয় আৰু অজ্ঞানতাৰ আন্ধাৰ আঁতৰাই অন্তৰ্নিহিত শক্তিক জাগ্ৰত কৰাৰ পাঠ দিয়ে। ৰাজ্যপালগৰাকীয়ে সহমৰ্মিতা, পাৰস্পৰিক সহানুভূতি আৰু সৌহাৰ্দ্য বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। পোহৰৰ উৎসৱ দীপাৱলীয়ে নিৰাশাৰ বিপৰীতে সত্য, আশা আৰু পোহৰৰ জয় সাব্যস্ত কৰে বুলিও তেওঁ মত প্ৰকাশ কৰে। ৰাজ্যপালগৰাকীয়ে আজি গুৱাহাটীৰ নাৰেংগী সেনা চাউনীত উপস্থিত হৈ সেনা বাহিনীৰ বিষয়া আৰু জোৱানসকলৰ সৈতে দীপাৱলী উদযাপন কৰে। সেনাবাহিনীৰ লোকসকলৰ সৈতে তেওঁ মত বিনিময় কৰাৰ লগতে মিঠায়ো বিতৰণ কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সমূহ অসমবাসীক দীপাৱলীৰ শুভেচ্ছা জ্ঞাপন কৰিছে। পোহৰৰ এই উৎসৱে সকলোৰে জীৱন আলোকময় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে কামনা কৰে।

এইবাৰ বিভিন্ন স্বেচ্ছাসেৱী সংস্থাৰ লগতে দল-সংগঠনে শব্দ, বায়ু প্ৰদূষণবিহীন দীপাৱলী উদযাপন কৰাৰ উদ্দেশ্যে আহ্বান জনাইছে।

ৰাজ্যৰ প্ৰতিখন জিলাতে জাকজমকতা পৰিহাৰ কৰি আৰু পৰম্পৰা বৰ্তাই ৰাখি কালিপূজা আৰু দীপাৱলী উদযাপন কৰা হৈছে।

**ধেমাজি** জিলাৰ বিভিন্ন প্ৰান্তত আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে কালীপূজা আৰু দীপাৱলী পালন কৰা হৈছে। জিলাখনৰ সাৰ্বজনীন কালিবাড়ীৰ চৌহদত আজি নৱনিৰ্মিত কালী মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। এই উপলক্ষে মন্দিৰ চৌহদৰ পৰা জলযাত্ৰা সমদল উলিওৱা হয়। ইয়াৰ পাছত মন্দিৰত জল অভিষেক, বিষ্ণু পূজা, ন-কুমাৰী পূজা আদিকে ধৰি পৰম্পৰাগত ৰীতি-নীতিৰে পূজা-অৰ্চনা কৰা হয়।

00000

ভাৰতীয় জনতা পাৰ্টিৰ যোৰহাট জিলাৰ পূব যোৰহাট মণ্ডলত আজি প্ৰাক্তন ছাত্ৰ নেতা, যুৱ নেতা, ৱাৰ্ড সদস্যাকে ধৰি ৫০জনৰো অধিক লোকে ভাৰতীয় জনতা পাৰ্টীত আনুষ্ঠানিকভাৱে যোগদান কৰে। এই যোগদান কাৰ্যসূচীত স্থানীয় বিধায়ক হিতেন্দ্ৰনাথ গোস্বামী তথা দলৰ বিষয়ববীয়া আৰু কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

০০০০০

শিক্ষা তথা ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি অভিযান্ত্ৰিক বিদ্যালয়ৰ এটা ছাত্ৰীনিবাসৰ উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ জনজাতি পৰিক্ৰমা ভৈয়াম বিভাগৰ অধীনত নিৰ্মাণ কৰা এই ছাত্ৰীনিবাসটোৰ লগতে শিক্ষাৰ্থীৰ বৰ্ধিত সংখ্যালৈ লক্ষ্য ৰাখি আন এটা নিবাস নিৰ্মাণৰো অনুমোদন দিয়া বুলি মন্ত্ৰীগৰাকীয়ে আজি উল্লেখ কৰে। ইয়াৰ পাছতে মন্ত্ৰীগৰাকীয়ে ধেমাজিৰ ভেহপৰাৰ ধেমাজি ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰত উপস্থিত হৈ এটা ছাত্ৰাবাসৰ শিলান্যাস কৰে। ভাষণ প্ৰসঙ্গত মন্ত্ৰীগৰাকীয়ে কয় যে টাটা টেকনোলজীৰ সহায়ত উদ্যোগ ৪.০ৰ সৈতে সংযুক্ত হৈ দক্ষতাভিত্তিক পাঠ্যক্ৰমৰ প্ৰৱৰ্তন কৰি ধেমাজিকে ধৰি আন ঔদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰসমূহ উন্নীত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

০০০০০

বিশ্বনাথ জিলাৰ বগুৰিগুৰিৰ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বাইপাছত আৰক্ষীয়ে এখন সুৰাভৰ্তি ট্ৰাক জব্দ কৰে। অৰুণাচল প্ৰদেশৰ পৰা মণিপুৰলৈ সুৰাখিনি নিয়াৰ সময়তে বিশ্বনাথ আৰক্ষী আৰু কাৰ্বি আংলং আৰক্ষীয়ে এই যুঁটীয়া অভিযান চলায়। জব্দ কৰা সুৰাখিনিৰ বজাৰমূল্য প্ৰায় ৩০ লাখ টকা হ'ব বুলি সদৰি কৰাৰ লগতে অধিক তথ্যৰ বাবে আৰক্ষীয়ে ট্ৰাকৰ চালক আৰু হেণ্ডিমেনক সোধা-পোছা অব্যাহত ৰাখিছে।

০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ আৰক্ষীয়ে অভিযান চলাই জুৱা খেলত অংশ লোৱা ছজন লোকক আটক কৰাৰ লগতে নগদ ধন আৰু ছটা মোবাইল ফোন জব্দ কৰে। আটকাধীন লোককেইজন জ্যোতিপুৰ, কুশল নগৰ, খোৱাং কৰ্দৈগুৰি, মৰাণ পৰিবানু পথ আৰু ২ নম্বৰ সোণোৱালী পথৰ বাসিন্দা বুলি আৰক্ষীয়ে জানিবলৈ দিছে।

০০০০০

০০০০০

সমাপ্ত